*Total number of printed pages–11*

**1 (Sem–3/Ar) BCM 07**

**2025**

**COMMERCE**

**(FINANCE)**

Paper : BCM0300704

***( Banking )***

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

*Answer **either** in English **or** in Assamese.*

Answer all the following objective type questions : 1×8=8

তলত দিয়া সকলো প্ৰশ্ন বস্তুনিষ্ঠ ধৰণৰ উত্তৰ দিয়া ঃ

1. *(a)* What is the fundamental relationship between a banker and a customer ?

   বেংকাৰ আৰু গ্ৰাহকৰ মাজত মৌলিক সম্পৰ্ক কি ?

   *(i)* Seller and Buyer

   বিক্ৰেতা আৰু ক্ৰেতা

(ii) Employer and Employee

নিয়োগকৰ্তা আৰু কৰ্মচাৰী

(iii) Debtor and Creditor

ঋণী আৰু পাওনাদাৰ

(iv) Landlord and Tenant

মালিক আৰু ভাড়াতীয়া

(b) When a banker collects cheques or pays insurance premiums on behalf of a cumtomer, the banker is acting as an—

যেতিয়া কোনো বেংকাৰে গ্ৰাহকৰ হৈ চেক সংগ্ৰহ কৰে বা বীমা প্ৰিমিয়াম পৰিশোধ কৰে, তেতিয়া বেংকাৰে কি হিচাপে কাম কৰে

(i) Debtor

ঋণী

(ii) Creditor

ঋণদাতা

(iii) Agent

এজেন্ট

(iv) Trustee

ট্ৰাষ্টী



(c) The primary functions performed by banks include—

বেংকসমূহে সম্পন্ন কৰা প্ৰাথমিক কামসমূহৰ ভিতৰত আছে—

(i) Accepting Deposit

জমা ধন গ্ৰহণ কৰে

(ii) Lending Money

ধন ধাৰে দিয়ে

(iii) Currency Exchange

মুদ্ৰা বিনিময়

(iv) All of the above

ওপৰৰ সকলোবোৰ

(d) Which of the following is not a form of bank assets ?

তলৰ কোনটো বেংকৰ সম্পত্তিৰ প্ৰকাৰ নহয় ?

(i) Loans and Advances

ঋণ আৰু অগ্ৰিম ধন

(ii) Investment in Government Securities

চৰকাৰী চিকিউৰিটিত বিনিয়োগ

(iii) Cash Reserve with RBI

আৰ.বি.আই-ৰ সৈতে নগদ ধনৰ সংৰক্ষণ

(iv) Deposit

জমা ধন

(e) The ratio of total deposit that a commercial bank is required to keep as cash reserve—

এটা বাণিজ্যিক বেংকে আৰ.বি.আই-ৰ ওচৰত নগদ ধনৰ আমানত হিচাপে ৰাখিব লগা মুঠ জমা ধনৰ অনুপাতক কোৱা হয়—

(i) Statutory Liquidity Ratio (SLR)

সংবিধিবদ্ধ তাৰল্য অনুপাত

(ii) Cash Reserve Ratio (CRR)

নগদ ৰিজাৰ্ভ অনুপাত

(iii) Debt-to-Equity Ratio

ঋণ আৰু ইকুইটি অনুপাত

(iv) Advance Ratio

অগ্ৰিম অনুপাত

(f) What is the maximum punishment for cheque dishonour under section 138 of the NI Act ?

এন.আই এক্টৰ ১৩৮ নং ধাৰাত চেক প্ৰত্যাখ্যান কৰাৰ সৰ্বোচ্চ শাস্তি কিমান ?

(i) Imprisonment for 6 months

৬ মাহৰ কাৰাদণ্ড



(ii) Imprisonment for 1 year

১ বছৰৰ কাৰাদণ্ড

(iii) Imprisonment for 2 years

২ বছৰৰ কাৰাদণ্ড

(iv) Imprisonment for 3 years

৩ বছৰৰ কাৰাদণ্ড

(g) Which section of the Banking Regulation Act, 1949 deals with the licensing of new banks ?

বেংকিং ৰেগুলেচন এক্ট, ১৯৪৯ ৰ কোনটো ধাৰাত বেংকৰ, অনুজ্ঞা পত্ৰ প্ৰদানৰ বিষয়ে আলোচনা কৰা হৈছে ?

(i) Section 12

ধাৰা ১২

(ii) Section 22

ধাৰা ২২

(iii) Section 36

ধাৰা ৩৬

(iv) Section 45

ধাৰা ৪৫

গুৱাহাটী কমাৰ্চ কলেজ
বিদ্যয়া বিমুচ্যতে
GAUHATI COMMERCE COLLEGE

(h) A 'Current Account' deposit is—

এটা 'চলিত একাউন্ট' আমানত হ'ল—

(i) Repayable on demand

চাহিদা অনুযায়ী পৰিশোধযোগ্য

(ii) Not repayable on demand

চাহিদা অনুযায়ী পৰিশোধযোগ্য নহয়

(iii) A time deposit

ম্যাদী জমা

(iv) None of the above

ওপৰৰ এটাও নহয়

2. Answer the following questions in very short : *(any six)* 2×6=12

তলত দিয়া প্ৰশ্নবোৰৰ অতি চুটি উত্তৰ দিয়া ঃ *(যিকোনো ছয়টা)*

(a) Who is considered as a 'customer' in banking law ?

বেংকিং আইনত কাক 'গ্ৰাহক' বুলি গণ্য কৰা হয়?

(b) What is E-banking ?

ই-বেংকিং কি ?

(c) What is "Garnishee Order" ?

'গাৰ্নিচি অৰ্ডাৰ' কি ?



(d) What principle requires bank to maintain sufficient capital reserves ?

বেংকসমূহত পৰ্য্যাপ্ত মূলধন মজুত ৰাখিবলৈ কি নীতিৰ প্ৰয়োজন ?

(e) Define a 'Negotiable Instrument' according to NI Act, 1881.

এন.আই. এক্ট, ১৮৮১ অনুসৰি 'বিনিময়যোগ্য দলিল'ৰ সংজ্ঞা দিয়া।

(f) What is 'payment in due course' ?

'যথাসময়ত ধন পৰিশোধ' কি ?

(g) What is the primary objective of the Banking Regulation Act, 1949 ?

বেংকিং ৰেগুলেচন এক্ট, ১৯৪৯ ৰ প্ৰধান উদ্দেশ্য কি ?

(h) What is an "endorsement in blank" ?

"খালী অনুমোদন" কি ?

(i) What is Hypothecation ?

হাইপথেকেচন কি ?

(j) Who are the special type of bank customer ?

বেংকৰ বিশেষ ধৰণৰ গ্ৰাহক কোন ?



গুৱাহাটী কমাৰ্চ কলেজ বিদ্যয়া বিমুচ্যতে GAUHATI COMMERCE COLLEGE

3. Answer the following questions in brief : *(any four)* 5×4=20

তলত দিয়া প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া ঃ *(যিকোনো চাৰিটা)*

(a) Explain the main types of banks functioning in the modern financial system.

আধুনিক বিত্তীয় ব্যৱস্থাত কাম কৰা বেংকৰ মূল প্ৰকাৰসমূহ ব্যাখ্যা কৰা।

(b) Under what circumstances is a banker legally obligated to disclose information about a customer's account ?

কি পৰিস্থিতিত বেংকৰ গ্ৰাহক এজনৰ একাউন্টৰ বিষয়ে তথ্য প্ৰকাশ কৰিবলৈ বেংক আইনগতভাৱে বাধ্য?

(c) What are the fundamental principles of fund lending then a banker should follow ?

বেংকাৰ এজনে মানি চলিবলগীয়া সুস্থ ঋণৰ মৌলিক নীতিসমূহ কি কি ?

(d) Who is a "Holder in Due Course" under the NI Act, 1881 and what are their privileges ?

এন.আই. এক্ট, ১৮৮১ৰ অধীনত নিয়ম অনুসৰি "যথাবিহিত ধাৰক" কোন আৰু তেওঁলোকৰ বিশেষাধিকাৰ কি ?



(e) Differentiate between a 'Promissory Note' and a 'Bill of Exchange' based on the NI Act, 1881.

এন.আই. এক্ট, ১৮৮১ ৰ ভিত্তিত 'প্ৰমিছৰী নোট' আৰু 'বিল অব এক্সচেঞ্জ'ৰ মাজত পাৰ্থক্য কি ?

(f) What are the provisions regarding the maintenance of a Cash Reserve Ratio (CRR) for banks under the Banking Regulation Act ?

বেংকিং নিয়ন্ত্ৰণ আইনৰ অধীনত বেংকৰ বাবে নগদ সংৰক্ষিত অনুপাত ৰক্ষাৰ সন্দৰ্ভত কি বিধান আছে ?

(g) Mention *five* differences between Pledge and Mortgage.

পণবন্ধক আৰু বন্ধকীৰ মাজত *পাঁচটা* পাৰ্থক্য উল্লেখ কৰা।

(h) What are the statutory protection available to paying banker ?

পেইং বেংকাৰৰ ক্ষেত্ৰত থকা বিধিগত সুৰক্ষাসমূহ কি কি ?



বিদ্যয়া বিমুচ্যতে GAUHATI COMMERCE COLLEGE

4. Answer the following questions : ***(any two)*** 10×2=20

তলত দিয়া প্ৰশ্নকেইটাৰ উত্তৰ দিয়া ঃ *(যিকোনো দুটা)*

*(a)* Describe *any five* new or innovative services offered by modern banks driven by technology.

প্ৰযুক্তিৰ দ্বাৰা পৰিচালিত আধুনিক বেংকে আগবঢ়োৱা *পাঁচটা* নতুন বা উদ্ভাৱনীমূলক সেৱাৰ বৰ্ণনা কৰা।

*(b)* Discuss the fundamental legal relationship between a banker and a customer, and elaborate on the primary rights and obligations that arise from this relationship.

বেংকাৰ আৰু গ্ৰাহকৰ মাজত থকা মৌলিক আইনী সম্পৰ্কৰ বিষয়ে আলোচনা কৰা আৰু এই সম্পৰ্কৰ পৰা উদ্ভৱ হোৱা প্ৰাথমিক অধিকাৰ আৰু বাধ্যবাধকতাৰ বিষয়ে বিশদভাৱে আলোচনা কৰা।

*(c)* Describe the various avenues for the employment of funds by a modern commercial bank.

আধুনিক বাণিজ্যিক বেংকে ধন নিয়োগ কৰাৰ বিভিন্ন পথৰ বৰ্ণনা কৰা।



*(d)* Define a 'cheque' according to the Negotiable Instrument Act, 1881. Explain what constitutes a 'Material Alteration' of a cheque and its legal effects on the parties involved.

বিনিময়যোগ্য দলিল এক্ট, ১৮৮১ অনুসৰি 'চেক'ৰ সংজ্ঞা দিয়া। 'চেক' এখনৰ 'বস্তুগত পৰিৱৰ্তন' কি আৰু ইয়াৰ লগত জড়িত পক্ষসমূহৰ ওপৰত ইয়াৰ আইনী প্ৰভাৱ ব্যাখ্যা কৰা।

*(e)* "The Reserve Bank of India (RBI) holds extensive regulatory and supervisory powers over commercial banks under the Banking Regulation Act, 1949." Discuss how the RBI utilizes these powers.

"আৰ.বি.আই'ৰ বেংকিং নিয়ন্ত্ৰণ আইন, ১৯৪৯ ৰ অধীনত বাণিজ্যিক বেংকৰ ওপৰত নিয়ন্ত্ৰণ আৰু তত্ত্বাৱধানত ৰখাৰ ক্ষমতা আছে।" —এই ক্ষমতাসমূহ আৰ.বি.আই-য়ে কেনেদৰে ব্যৱহাৰ কৰে সেই বিষয়ে আলোচনা কৰা।



গুৱাহাটী কমাৰ্চ কলেজ GAUHATI COMMERCE COLLEGE